# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 1-04-2025
**Time:** 1205 Hrs

## ***Assamese Midday Bulletin***
**- - - - - - - - - - - - - -**

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আন্তঃক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰিব। এক কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ স্থাপন কৰিবলগীয়া এই ক্ৰীড়া প্ৰকল্পটোত দুখন বেডমিণ্টন কোৰ্ট, ৪ খন টেবল টেনিছ কোৰ্ট আৰু যোগাভ্যাস, শৰীৰচৰ্চা আৰু কাৰ্যালয়ৰ বাবে এটাকৈ কোঠা উপলব্ধ হ'ব। এই একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাৰ্তালাপ কৰিব। অনুষ্ঠানত নদুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই মুখ্যমন্ত্ৰীক সংগ দিব।

০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩টা পৰিষদীয় সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টি আছে। নিৰ্বাচনৰ বাবে জিলা দুখনৰ প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিত ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটাৰে ৫২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতা আছে। নিৰ্বাচনী বিষয়াসকল আজি ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হ'ব। এই নিৰ্বাচন শান্তিপূৰ্ণকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা লৈছে। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাতভনীৰ ৰাজ্য উত্তৰ-পূৰ্বাঞ্চলক স্থলবদ্ধ আৰু বাংলাদেশক মহাসাগৰীয় প্ৰৱেশৰ ৰক্ষক হিচাপে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কৰা মন্তব্যক তীব্ৰভাৱে গৰিহণা দিছে। ড০ শৰ্মাই এই মন্তব্যক আপত্তিজনক বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকেন নেক কৰিডৰৰ চাৰিওফালে আৰু অধিক শক্তিশালী ৰে'ল আৰু পথৰ সংযোগ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ উত্তৰ-পূবক মূল ভাৰতৰ সৈতে সংযোগ কৰাৰ বিকল্প পথসমূহৰ অন্বেষণ সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত আজিৰে পৰা গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়, ভি চি ডি চি সমূহত স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্যবান অসম গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপৰ অংশ হিচাপে স্বাস্থ্য আৰু কল্যাণ শিবিৰসমূহত মাতৃ আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা, মধুমেহ, উচ্চ ৰক্তচাপ, মুখগহ্বৰৰ কৰ্কট ৰোগ আৰু মানসিক স্বাস্থ্য পৰীক্ষা কৰা হ'ব। যক্ষ্মা, কুষ্ঠ, মেলেৰিয়া, চিকল চে'ল ৰোগৰ পৰীক্ষাৰ লগতে চকুৰ যতন, নাক-কাণ, দাঁত আৰু শ্ৰৱন শক্তিৰ পৰীক্ষা কৰা হ'ব। লগতে বিনামূলীয়াকৈ ৰোগ নিৰ্ণায়ক পৰীক্ষা, ঔষধ, টেলিফোনযোগে ৰোগ বিষয়ক পৰামৰ্শ, স্বাস্থ্য পৰীক্ষা, আভা, আয়ুষ্মান ভাৰত কাৰ্ড, যোগাসন, ধ্যান আৰু পুষ্টি সম্বন্ধীয় পৰামৰ্শ আগবঢ়োৱা হ'ব। ৰাজ্যৰ প্ৰতিগৰাকী ব্যক্তিকে ওচৰৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰলৈ আহি স্বাস্থ্য পৰীক্ষা কৰোৱাৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে অনুৰোধ জনাইছে।

ooooo

গহপুৰত অনুষ্ঠিত জিলা মইনা পাৰিজাতৰ তৃতীয় দ্বিবাৰ্ষিক শিশু সমাৰোহৰ কালি সামৰণি পৰে। তিনি দিনীয়া কাৰ্যসূচীৰে মধ্য ছয়দুৱাৰ আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত অনুষ্ঠিত শিশু সমাৰোহ থলী কন কন শিশুসকলৰ মাতত মুখৰিত হৈ পৰে। গহপুৰৰ কলাবাৰী, ছয়দুৱাৰ আদি অঞ্চলৰ বিভিন্ন শাখা মইনা পাৰিজাতৰ পৰা অহা প্ৰায় তিনিশৰো অধিক শিশু আৰু শিশুপ্ৰেমী ব্যক্তিৰ উপস্থিতিত কালি মূল সভাখন অনুষ্ঠিত হয়। সভাখনত সদৌ অসম মইনা পাৰিজাতৰ সহকাৰী সম্পাদক দ্বিজেন বৰা, মুখ্য অতিথি, নগাঁও জিলা মইনা পাৰিজাতৰ সম্পাদক বিশ্বজিৎ কাকতি আৰু সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক সদস্য শৰৎ মহন্তই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে।

ooooo

যোৱা ২৯ মাৰ্চত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা 'আপুনি কেনে আছে' শীৰ্ষক অনুষ্ঠানৰ আধাৰত প্ৰস্তুত কৰা এটা বিশেষ অনুষ্ঠান আজি দিনৰ ১ বাজি কুৰি মিনিটত প্ৰাসংগিক অনুষ্ঠানত শুনিবলৈ পাব। অনুষ্ঠানটি প্ৰযোজনা কৰিব আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত 'জিলাৰ ৰেহৰূপ' অনুষ্ঠান আকাশবাণী সঞ্চালকৰ নিৰ্দেশ অনুসৰি আজিৰ পৰিৱৰ্তে অহা ৬ এপ্ৰিলৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। ঠিক একেদৰে দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি অহা ৬ এপ্ৰিলৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব।  বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰো ৬ এপ্ৰিলৰ পৰা বন্ধ কৰা হ'ব।

ooooo

উত্তৰ-পূব সীমান্ত ৰে’লৱে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰে’ল চলাচলৰ সিদ্ধান্ত লৈছে। ৰে’লসমূহ অহা ১০ এপ্ৰিলৰ পৰা ৪ মে’লৈকে ছত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ আৰু নাৰেংগী ষ্টেছনৰ মাজত আৰু ৬ ৰ পৰা ২৯ এপ্ৰিললৈ কোলহাপুৰ আৰু কাটিহাৰৰ মাজত প্ৰতিটো দিশত ৪ টা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ’ব। ০১০৬৫ নম্বৰৰ বিশেষ ৰে’লখন ১০ এপ্ৰিলৰ দিনৰ ১১ বাজি ৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ পৰা যাত্ৰা কৰি ১২ এপ্ৰিলৰ দিনৰ ১১ বজাত নাৰেঙ্গীত উপস্থিত হ’ব। একেদৰে ০১০৬৬ নম্বৰৰ ৰে’লখন ১৩ এপ্ৰিলৰ পুৱা ৫ বাজি ২৫ মিনিটত নাৰেঙ্গীৰ পৰা যাত্ৰা কৰি ১৫ এপ্ৰিলৰ পুৱা ৮ বাজি ২৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছত উপস্থিত হ’ব বুলি উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত